**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 04-12-2025** **Time : 1205 Hrs**

## ***Assamese Midday Bulletin***

---------------------------

## ***Headlines***

১। তামুলপুৰত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত আত্ম সহায়ক গোটৰ ৩৫ হাজাৰৰো অধিক সদস্যক ১০ হাজাৰ টকাকৈ চেক বিতৰণ।
২। উত্তৰ-পূব উন্নয়ন মন্ত্ৰালয়ৰ ১৩৫ কোটি ৫৩ লাখ টকাৰ দুটা প্ৰকল্পত অনুমোদন।
৩। ৰাজ্যৰ গৃহ বিভাগৰ তিনিটা জেহাদী সংগঠনক নিষিদ্ধ ঘোষণা।

আৰু

৪। নামনি অসমৰ ঠাই বিশেষে আজি মহোহো বা মহ খেদা উৎসৱ পালন।

০০০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি তামুলপুৰত ৩৫ হাজাৰ ৪৩ গৰাকী আত্মসহায়ক গোটৰ মহিলাক মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰে। জিলাখনৰ পথালিকুছিত এই উপলক্ষে আয়োজিত অনুষ্ঠানত বি টি আৰৰ মুৰব্বী হাগ্ৰামা মহিলাৰি আৰু বিধান সভাৰ অধ্যক্ষ বিশ্বজিত দৈমাৰী উপস্থিত থাকে। অনুষ্ঠানত ভাষণ দি শ্ৰী মহিলাৰীয়ে ৬টা জনগোষ্ঠীক জনজাতিকৰণৰ প্ৰসংগ উল্লেখ কৰি ৰাজ্যত বৰ্তমান জনজাতিৰ স্বীকৃতিপ্ৰাপ্ত যিসমূহ জনগোষ্ঠী আছে তেওঁলোকৰ অধিকাৰ খৰ্ব নোহোৱাকৈ বি টি চি অঞ্চলত থকা কোচ ৰাজবংশী বা আন আদিবাসী লোকসকলক জনজাতিকৰণৰ মৰ্যদা প্ৰদান কৰা উচিত বুলি মন্তব্য কৰে।

(বাইট)

অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই মহিলাসকলৰ সবলীকৰণৰ জৰিয়তে গ্ৰাম্য অৰ্থনীতি শক্তিশালী কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। তেওঁ মহিলাসকলক উদ্যমিতা পুঁজিৰ ধনৰাশিৰ সঠিক ব্যৱহাৰেৰে উপকৃত হ'বলৈ আহ্বান জনায়।

০০০০০০০

———উত্তৰ-পূব উন্নয়ন মন্ত্ৰালয়ে প্ৰধানমন্ত্ৰীৰ উত্তৰ-পূবৰ বাবে উন্নয়ন উদ্যম আঁচনিৰ অধীনত অঞ্চলটোৰ বাবে ১৩৫ কোটি ৫৩ লাখ টকাৰ দুটা প্ৰকল্পত অনুমোদন জনাইছে। অসম, নাগালেণ্ড আৰু ত্ৰিপুৰা এই প্ৰকল্প দুটাৰ পৰা উপকৃত হ'ব। প্ৰথমটো প্ৰকল্পৰ ওপৰত বাঁহ উৎপাদিত অঞ্চলসমূহৰ সৰলীকৰণ আৰু উত্তৰ-পূৰ্বাঞ্চলত ৰপ্তানি সূচল কৰি ইঞ্জিনীয়াৰ্ড বেম্ব' অৰ্থাৎ বাঁহৰ পৰা উৎপাদিত বিভিন্ন সামগ্ৰীৰ প্ৰসাৰত গুৰুত্ব আৰোপ কৰা হ'ব। উত্তৰ-পূব বাঁহ-বেত উন্নয়ন পৰিষদে অসম আৰু নাগালেণ্ডৰ বাবে ৭০ কোটি ৯৮ লাখ টকা ব্যয়সাপেক্ষ এই প্ৰকল্প ৰূপায়ণ কৰিব। ৬৪ কোটি ৫৫ লাখ টকা ব্যয়সাপেক্ষ দ্বিতীয়টো প্ৰকল্পৰ অধীনত অসম আৰু ত্ৰিপুৰাত অগৰু কাঠ উৎপাদিত অঞ্চলসমূহৰ উন্নয়ন সাধন কৰা হ'ব। উত্তৰ-পূব আঞ্চলিক কৃষি বিপণন পৰিষদ লিমিটেডে এই প্ৰকল্প ৰূপায়ণ কৰিব। অলপতে নতুন দিল্লীত অনুষ্ঠিত প্ৰধানমন্ত্ৰীৰ উত্তৰ-পূবৰ বাবে উন্নয়ন উদ্যম আঁচনিৰ ক্ষমতাপ্ৰাপ্ত আন্তঃমন্ত্ৰালয় কমিটীৰ বৈঠকত এই প্ৰকল্প দুটাত অনুমোদন জনোৱা হয়।

০০০০০০০

অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ পৰা পোৱা গোপন তথ্য মৰ্মে ৰাজ্যৰ গৃহ বিভাগে তিনিটা জেহাদী সংগঠনক নিষিদ্ধ ঘোষণা কৰিছে। গৃহ বিভাগে জাৰি কৰা নিৰ্দেশনা অনুসৰি জামাত-উল-মুজাহিদিন বাংলাদেশ, আনছাৰুল্লাহ বাংলা টীম আৰু অল কায়দাৰ সৈতে জড়িত আনছাৰ-অল-ইছলাম নামৰ সন্ত্ৰাসবাদী সংগঠনকেইটাক নিষিদ্ধ ঘোষণা কৰা হৈছে। একেদৰে ৰাজ্যৰ ন্যায়িক বিভাগে ২৬ নৱেম্বৰত প্ৰকাশ কৰা অনুসৰি অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাই এই সংগঠনকেইটাৰ গোপন যোগাযোগক লৈ আপত্তিজনক তথ্য আৰু সূত্ৰ লাভ কৰিছে। এই অনুসৰি সংগঠনকেইটাই কোনোধৰণৰ প্ৰচাৰ মাধ্যমেৰে কৰা প্ৰচাৰ ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ৯৮ ধাৰা অনুসৰি অপৰাধ হিচাপে গণ্য কৰা হ'ব।

০০০০০০০

নামনি অসমৰ ঠাই বিশেষে আজি মহোহো বা মহ খেদা উৎসৱ পালন কৰা হ'ব। আঘোণ মাহৰ পূৰ্ণিমা তিথিত এই উৎসৱ পালন কৰা হয়। এই উপলক্ষে গধূলি গাঁৱৰ চেমনীয়াসকলে হাতত লাঠি লৈ চোতালত ঘূৰি ঘূৰি বিভিন্ন প্ৰক্ৰিয়াৰে মহ খেদা গীত গাই গৃহস্থৰ কুশল-মংগল কামনা কৰে আৰু আশীৰ্বাদ দিয়ে। লোকবিশ্বাস মতে মহ খেদাৰ পাছত লাহে লাহে মহবোৰ কমি যায়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মহোহো উপলক্ষে জনসাধাৰণক ওলগ জনাইছে। মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত সকলোৰে কুশল-মংগল প্ৰাৰ্থনা কৰিছে।

০০০০০০০

চাহ শ্ৰমিকক ভূমিৰ অধিকাৰ প্ৰদানৰ বাবে বাগিচাসমূহত জৰীপ চলাবলৈ শীঘ্ৰেই এখন সমিতি গঠন কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি চাহ শ্ৰমিকক ভূমি হস্তান্তৰ সন্দৰ্ভত জিলা আয়ুক্তসকলৰ সৈতে অনুষ্ঠিত এখন বৈঠকত এই বিষয়ে প্ৰকাশ কৰে। এই বৈঠকতে প্ৰতিখন চাহ বাগিচাত এখনকৈ চাৰিজনীয়া সমিতি গঠনৰ জৰিয়তে ভূমি জৰীপ চলোৱাৰ সিদ্ধান্ত লোৱা হয়। এই সমিতিয়ে চাহ শ্ৰমিকসকলৰ আবেদন পত্ৰ সংগ্ৰহ কৰাত সহায় কৰিব। জৰীপৰ পাছতহে পৰ্যায়ক্ৰমে ভূমিপট্টা দিয়াৰ ব্যৱস্থা কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। ইতিমধ্যে বিধানসভাত চাহ শ্ৰমিকসকলক ভূমিৰ অধিকাৰ দিয়াৰ বাবে গৃহীত বিধেয়কখনত ৰাজ্যপালে অনুমোদন জনোৱাৰ পাছতে বাগিচাৰ মাটিসমূহ প্ৰথমে চৰকাৰলৈ হস্তান্তৰ কৰাৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ জিলা আয়ুক্তসকলক নিৰ্দেশ দিয়া হৈছে। বাগিচাসমূহত পৰ্যায়ক্ৰমে এই ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

(বাইট)

০০০০০০০

আজি নৌ সেনা দিৱস। বিদেশী ৰাষ্ট্ৰৰ আক্ৰমণৰ পৰা দেশ মাতৃক সুৰক্ষা দিয়াৰ বাবে সমুদ্ৰত সকলো প্ৰত্যাহ্বান নেওচি অতন্দ্ৰ প্ৰহৰি ৰূপে থকা ভাৰতীয় নৌ সেনা বাহিনীৰ বীৰত্ব আৰু স্বদেশ প্ৰেমক উদযাপনেৰে এই দিনটো নৌ সেনা দিৱস হিচাপে পালন কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই দিৱস উপলক্ষে নৌ সেনাৰ জোৱানসকললৈ শুভেচ্ছা জনাইছে। এটা বাৰ্তাত শ্ৰী মোদীয়ে কয় যে আমাৰ নৌ সেনা হৈছে অদম্য বীৰত্ব আৰু একাগ্ৰতাৰ সমাৰ্থক স্বৰূপ। তেওঁলোকে দেশৰ উপকূলসমূহ সুৰক্ষিত ৰাখি আমাৰ সামুদ্ৰিক ব্যৱস্থাক শক্তিশালী কৰি ৰাখিছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

০০০০০০০

লোকনৃত্য, থলুৱা খাদ্য সম্ভাৰ আৰু সুৰীয়া সংগীতেৰে উখল মাখল হৈ পৰা নাগালেণ্ডৰ কোহিমাৰ কিচামা গাঁৱৰ হৰ্ণবিল মহোৎসৱস্থলীত আজি চতুৰ্থ দিনাও বহু লোকৰ সমাগম পৰিলক্ষিত হৈছে। নগা যুৱক-যুৱতীৰ আকৰ্ষণীয় লোকনৃত্য পৰিৱেশন আৰু দেশ-বিদেশৰ শিল্পীসকলৰ গীতে উপস্থিত জনসাধাৰণক আপ্লুত কৰিছে। জনজাতীয় নৃত্য-গীতে উৎসৱমুখৰ কৰি তোলা এই স্থান বিভিন্ন হস্তকলা আৰু থলুৱা ক্ৰীড়া প্ৰতিভা প্ৰদৰ্শনৰো থলী হিচাপে বিবেচিত হৈছে। প্ৰতি সন্ধিয়া এই মহোৎসৱত সংগীতানুষ্ঠানে দৰ্শকসকলক আকৰ্ষিত কৰিছে।

উল্লেখযোগ্য যে ১ ডিচেম্বৰৰ পৰা অনুষ্ঠিত এই মহোৎসৱৰ ১০ ডিচেম্বৰত সামৰণি পৰিব। এই বছৰ ব্ৰিটেইন আয়াৰলেণ্ড, ফ্ৰান্স, অষ্ট্ৰিয়া, মাল্টা আৰু ছুইজাৰলেণ্ডে সহযোগী দেশ হিচাপে আৰু অৰুণাচল প্ৰদেশে সহযোগী ৰাজ্য হিচাপে যোগদান কৰিছে।

০০০০০০

নগাঁও জিলা প্ৰশাসনে ৰূপহীহাট থানাৰ অন্তৰ্গত ভকতগাঁৱত কাইলৈ উচ্ছেদ অভিযান চলাব। উচ্ছেদ অভিযানৰ বাবে ইতিমধ্যে জিলা প্ৰশাসনে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। প্ৰশাসনে প্ৰায় ৩৮ বিঘা ভূমিত থকা ৭৫টা পৰিয়ালৰ বাসগৃহত উচ্ছেদ চলাব। জিলা প্ৰশাসনে দখলকাৰীলৈ প্ৰেৰণ কৰা জাননীৰ সময়সীমা কালি উকলি গৈছে। উল্লেখযোগ্য যে দখলকাৰী পৰিয়ালসমূহক ১৫ দিনৰ ভিতৰত দখলীকৃত ভূমি খালী কৰিবলৈ জাননী প্ৰেৰণ কৰা হৈছিল। জাননী পোৱাৰ পাছতে একাংশ পৰিয়ালে সেই ঠাই এৰি আঁতৰি গৈছে। কালি ৰূপহীহাট আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীৰ এটা দলে অঞ্চলটো পৰিদৰ্শন কৰি দখলকাৰী পৰিয়ালসমূহক শীঘ্ৰেই চৰকাৰী ভূমি খালী কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০০০

বহু প্ৰতিক্ষিত যোৰহাট-মাজুলী সংযোগী দলংখন ২০২৮ চনৰ ভিতৰত সম্পূৰ্ণ হ'ব। কালি ৰাজ্যসভাত ৰাজ্যসভাৰ প্ৰশ্নোত্তৰ কালত অগপৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই উত্থাপন কৰা প্ৰশ্নৰ উত্তৰত কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে এই কথা প্ৰকাশ কৰি কয়, যে যোৱা ৬ অক্টোবৰত দলংখনৰ নিৰ্মাণৰ দায়িত্ব নতুন নিৰ্মাণকাৰী সংস্থাক অৰ্পণ কৰা হৈছে। শ্ৰী গাডকাৰীয়ে কয়, যে ২০২১ চনৰ ৯ জুলাইত আৰম্ভ হোৱা দলংখনৰ নিৰ্মাণকাৰ্য চলিত বছৰৰ ৮ জুলাইত সম্পূৰ্ণ হোৱাৰ কথা আছিল, কিন্তু নিৰ্মাণকাৰ্য প্ৰায় ৩০ শতাংশ সম্পন্ন হোৱাৰ পাছত পূৰ্বৰ ঠিকাদাৰে কাম বন্ধ কৰি দিয়াৰ বাবে তেওঁলোকক জৰিমণা বিহা হয়। ইয়াৰ পাছতে যোৱা ২৯ মাৰ্চত দলঙৰ নিৰ্মাণকাৰ্য পুনৰ আৰম্ভ কৰাৰ বাবে এহেজাৰ ১৯ কোটি ১৭ লাখ টকা অনুমোদন জনোৱা হয়।

০০০০০০০

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশ মৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি বিয়লি ৩ বাজি ৫ মিনিটত গোৱালপাৰা জিলা অভিলাষী জিলাৰূপে পৰিগণিত হোৱা সন্দৰ্ভত গোৱালপাৰাৰ জিলা আয়ুক্ত প্ৰদীপ টিমুঙৰ সৈতে এটা সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ আমাৰ গোৱালপাৰা জিলাৰ সংবাদদাতা ৰছিদুল হুছেইনৰ। অনুষ্ঠানটি নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব।

০০০০০০০

**সমাপ্ত**